**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-06-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***
***00000***

১। ভাৰত আৰু নেপালৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কত কোনো তৃতীয় পক্ষৰ ভূমিকা নাই বুলি নতুন দিল্লী মহলে স্পষ্টভাৱে প্ৰকাশ কৰিছে।

২। দক্ষিণ আফ্ৰিকাৰ উপ-ৰাষ্ট্ৰপতি ছিপ'কোছা প'লছ মাছাটিলেই আজি নতুন দিল্লীত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে।

৩। দেশত স্বাস্থ্যসেৱা বিষয়ক দৃষ্টিভংগী নিৰাময়ক আৰ্হিৰ পৰা সৰ্বাত্মক পৰিকাঠামোলৈ ৰূপান্তৰ হোৱা বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে।

৪। দিল্লীৰ এখন আদালতে নীটৰ প্ৰশ্নকাকত ফাদিলৰ গোচৰত পাঁচজন অভিযুক্তৰ ন্যায়িক জিম্মাৰ ম্যাদ ১৫ জুনলৈ বৃদ্ধি কৰিছে।

আৰু

৫। ইজৰাইলে আজি লেবাননৰ দক্ষিণ অংশত চলোৱা ড্ৰোণ আক্ৰমণত কমেও ৮জন লোকে প্ৰাণ হেৰুৱায়।

ooooooo

ভাৰত আৰু নেপালৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কত কোনো তৃতীয় পক্ষৰ ভূমিকা নাই বুলি নতুন দিল্লী মহলে স্পষ্টভাৱে প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে নেপালৰ প্ৰধানমন্ত্ৰীয়ে ভাৰত-নেপাল সীমান্তক লৈ মন্তব্য কৰাৰ পাছত দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা বিবৃতি সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত এইদৰে প্ৰকাশ কৰে। শ্ৰীজয়ছৱালে কয় যে সীমা সমস্যাৰ সকলো দিশৰ সমাধানৰ বাবে দ্বিপাক্ষিক ব্যৱস্থা আছে। ভাৰত-নেপাল সীমান্তৰ প্ৰায় ৯৮ শতাংশৰ সীমা নিৰ্ধাৰণ কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে।

ভাৰতে লগতে পাকিস্তান-ইউৰোপীয় সংঘৰ যুটীয়া বিবৃতিত জম্মু-কাশ্মীৰৰ প্ৰসঙ্গ অবাঞ্চিতভাৱে উল্লেখ কৰা কাৰ্যক প্ৰত্যাখ্যান কৰিছে। শ্ৰীজয়ছৱালে কয় যে জম্মু-কাশ্মীৰ আৰু লাডাখ ভাৰতৰ অবিচ্ছেদ্য অংগ। তেওঁ কয় যে এনে বিষয় সন্দৰ্ভত কোনো অধিকাৰ নথকাসকলে এনে ধৰণৰ মন্তব্য কৰা উচিত নহয়।

ooooooooo

দক্ষিণ আফ্ৰিকাৰ উপ-ৰাষ্ট্ৰপতি ছিপ'কোছা প'লছ মাছাটিলেই আজি নতুন দিল্লীত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে। তেওঁৰ সৈতে দক্ষিণ আফ্ৰিকাৰ জ্যেষ্ঠ মন্ত্ৰী আৰু বিষয়াসকলৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলও সাক্ষাৎকালত উপস্থিত থাকে। দুয়োগৰাকী নেতাই বাণিজ্য, বিনিয়োগ, প্ৰতিৰক্ষা সহযোগিতা, দক্ষতা বিকাশ আৰু জনসম্পৰ্কত বিশেষ গুৰুত্বৰে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ দ্বিপক্ষিক সম্বন্ধ সুদৃঢ় কৰাৰ বিষয় লৈ ফলপ্ৰসূ আলোচনা কৰে। তেওঁলোকে লগতে গ্লোবল ছাউথ হিচাপে পৰিচিত অৰ্থনীতি তথা ঔদ্যোগিকীকৰণৰ ক্ষেত্ৰত পিছ পৰা থকা ৰাষ্ট্ৰসমূহৰ অগ্ৰাধিকাৰসমূহ আগুৱাই নিা আৰু বহুপাক্ষিক মঞ্চত সহযোগিতা বৃদ্ধি সন্দৰ্ভত মত বিনিময় কৰে।

ooooooooo

দেশত স্বাস্থ্যসেৱা বিষয়ক দৃষ্টিভংগী নিৰাময়ক আৰ্হিৰ পৰা সৰ্বাত্মক পৰিকাঠামোলৈ ৰূপান্তৰ হোৱা বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে। পাঞ্জাৱৰ ভাটিণ্ডা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ দ্বিতীয় সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই পৰিকাঠামোত প্ৰতিৰোধ, পুনৰ্বাসন, উপশমী সেৱা আৰু বৃদ্ধাৱস্থাৰ যত্ন আদি বিষয় সামৰি লোৱা হৈছে। তেওঁ কয় যে সমগ্ৰ দেশত ১ লাখ ৮২ হাজাৰৰো অধিক আয়ুষ্মান আৰোগ্য মন্দিৰে স্বাস্থ্যসেৱাৰ প্ৰাথমিক কেন্দ্ৰ হিচাপে কাৰ্য কৰি আছে।

প্ৰতিৰোধমূলক সেৱা স্বাস্থ্যসেৱাত গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৩০ বছৰ উৰ্ধৰ ব্যক্তিসকলক পঞ্চায়ত, আশা কৰ্মী আৰু আগশাৰীৰ স্বাস্থ্যকৰ্মীৰ জৰিয়তে নিয়মীয়া পৰীক্ষা কৰিবলৈ উদগণি যোগোৱা হৈছে। এই উদ্যমসমূহৰ জৰিয়তে লাভ কৰা সাফল্যৰ বিষয়ে উল্লেখ কৰি শ্ৰীনাড্ডাই কয় যে ৩৬ কোটিৰো অধিক লোকৰ মুখগহ্বৰৰ কৰ্কট ৰোগৰ, ১৭ কোটিৰো অধিক মহিলাৰ স্তনৰ কৰ্কট ৰোগ আৰু ৯ কোটিৰো অধিকৰ জৰায়ুমুখৰ কৰ্কট ৰোগৰ পৰীক্ষা কৰা হৈছে । মন্ত্ৰীগৰাকীয়ে লগতে স্বাস্থ্য খণ্ডত তৃতীয়ক স্বাস্থ্য সেৱা, চিকিৎসা শিক্ষা আৰু গৱেষণা সুদৃঢ় কৰাৰ ক্ষেত্ৰত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞানৰ প্ৰতিষ্ঠানৰ অৱদান ভূয়শী প্ৰশংসা কৰে। শ্ৰীনাড্ডাই লগতে এটা শিশু বিকাশ আৰু প্ৰাৰম্ভিক স্বাস্থ্য সাহায্য কেন্দ্ৰ মুকলি কৰে।

০০০০

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত জাৰ্মানীৰ থুৰিংগিয়া প্ৰদেশৰ মুৰব্বী মাৰিঅ’ ৰ’গটৰ সৈতে কোৱাণ্টাম যোগাযোগ, পোহৰ বিজ্ঞান আৰু উদ্যোগৰ নেতৃত্বৰ অত্যাধুনিক প্ৰযুক্তি সহযোগিতাৰ বিষয় লৈ আলোচনা কৰে। এই উপলক্ষে ড০ সিঙে কয় যে ভাৰতত বৰ্তমান বিশ্বৰ তৃতীয় সৰ্ববৃহৎ ব্যৱস্থা আছে আৰু জৈৱপ্ৰযুক্তি, স্বাস্থ্য সেৱা, জল প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা আৰু মহাকাশ প্ৰযুক্তিৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ থল আছে। ড০ সিঙে কয় যে ভাৰত আৰু জাৰ্মানীৰ মাজত বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন খণ্ডৰ ঘনিষ্ঠ সম্পৰ্ক আছে। তেওঁ কয় যে বৈজ্ঞানিক সহযোগিতা উভয় দেশৰ মাজৰ সম্পৰ্ক শক্তিশালী স্বম্ভৰূপে পৰিগণিত হৈছে আৰু এই সহযোগিতাৰ ফলত গৱেষণা, উদ্ভাৱন আৰু উন্নয়নৰ দিশত ন-ন সুযোগৰ সৃষ্টি হৈছে।

০০০০

দিল্লীৰ এখন আদালতে আজি চিকিৎসা বিজ্ঞানত পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা নীটৰ প্ৰশ্নকাকত ফাদিলৰ গোচৰত পাঁচজন অভিযুক্তৰ ন্যায়িক জিম্মাৰ ম্যাদ ১৫ জুনলৈ বৃদ্ধি কৰে। বিশেষ ন্যায়াধীশ অজয় গুপ্তাই অভিযুক্ত মুংগীলাল, বিকাশ বিৰাল, দিনেশ বিৰাল, যশ যাদৱ আৰু ধনঞ্জয় লোখান্দেৰ ন্যায়িক জিম্মাৰ ম্যাদ বৃদ্ধিৰ বাবে চি বি আয়ে দাখিল কৰা আবেদন গ্ৰহণ কৰে। উল্লেখযোগ্য যে পদাৰ্থ বিজ্ঞানৰ অধ্যাপক মনীষা সঞ্জয় হাৱালদাৰ, শিশু চিকিৎসক ডাঃ মনোজ শিৰুৰে আৰু পদাৰ্থ বিজ্ঞানৰ শিক্ষক তেজাছ হৰ্যদকুমাৰক কালি ১৪ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে। চি বি আইয়ে প্ৰশ্নকাকত ফাদিলৰ গোচৰৰ সংক্ৰান্তত এতিয়ালৈকে ১৩ অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। যোৱা মাহত নীটৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগৰ বাবে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ৩ মে’ত অনুষ্ঠিত এই পৰীক্ষা বাতিল কৰিছিল। এই পৰীক্ষা ২১ জুনত পুনৰ অনুষ্ঠিত হ’ব।

০০০০

উচ্চতম ন্যায়ালয়ে তামিলনাডু আৰু কেৰলমৰ আগস্থ্যমলাই পাৰিপাৰ্শ্বিক প্ৰেক্ষাপট সংৰক্ষিত এলেকাত হোৱা অবৈধ দখলৰ বিষয়টো গুৰুত্ব সহকাৰে লৈ নিৰ্দিষ্ট সময়ৰ ভিতৰত উচ্ছেদৰ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ আৰু অগ্ৰাধিকাৰৰ ভিত্তিত এই পৰিকল্পনা ৰূপায়ণ কৰিবলৈ নিৰ্দেশ দিছে। সৰ্বোচ্চ ন্যায়ালয়ে লগতে

অঞ্চলটোত অবৈধভাৱে দখল কৰা কৰ্মৰত তথা অৱসৰপ্ৰাপ্ত ১১৮ গৰাকী চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে অনুশাসনমূলক আৰু আইনী ব্যৱস্থা আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। ন্যায়াধীশ বিক্ৰম নাথ আৰু সন্দীপ মেহতাক লৈ গঠিত এখন বিচাৰপীঠে কয় যে মাদ্ৰাজ উচ্চ ন্যায়ালয় আৰু শীৰ্ষ ন্যায়ালয়ৰ স্পষ্ট নিৰ্দেশ সত্বেও আগস্থমলাই সংৰক্ষিত এলেকাত দখল অব্যাহত থকাই নহয়, বৰং এনে ঘটনা বৃদ্ধিহে পাইছে। সৰ্বোচ্চ ন্যায়ালয়ে কয় যে উচ্ছেদৰ পৰিকল্পনা ভৌতিক উচ্ছেদ, ইচ্ছাকৃতভাৱে নিয়ম ভংগ কৰাসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা আৰু উচ্ছেদৰ পাছত পাৰিপাৰ্শ্বিক স্থিতি পূৰ্বৰ অৱস্থালৈ ওভতাই নিয়াৰ বাবে ব্যৱস্থা অন্তৰ্ভুক্ত কৰা উচিত।

০০০০

নেপালৰ শাসনাধিষ্ঠ দল ৰাষ্ট্ৰীয় স্বতন্ত্ৰ পাৰ্টিৰ এটা প্ৰতিনিধিবৰ্গই আজি নতুন দিল্লীত বিজেপিৰ সভাপতি নিতিন নবীনক সাক্ষাৎ কৰে। দলটোৰ সভাপতি ৰবি লামিছানেৰ নেতৃত্বত অহা প্ৰতিনিধি দলটোক আদৰণি জনাই নিতিন নবীনে ভাৰত আৰু নেপালৰ মাজৰ ঘনিষ্ঠ তথা ঐতিহাসিক সম্পৰ্কৰ ওপৰত আলোকপাত কৰে যি সম্পৰ্কৰ মূল ভেটি  ঐতিহ্যৰে ভৰা সভ্যতাৰ, সাংস্কৃতিক একতা আৰু জনসাধাৰণৰ মাজৰ শক্তিশালী বান্ধোনৰ ওপৰত আধাৰিত। তেওঁ লগতে কয় যে এনে সাক্ষাতে গণতান্ত্ৰিক আলোচনা শক্তিশালী কৰাত আৰু দলসমূহৰ মাজৰ সম্পৰ্ক গভীৰ কৰাত সহায় কৰে। নবিনে বিজেপি দলৰ যাত্ৰা, আদৰ্শ, সাংগঠনিক গাঁথনি আৰু জনসাধাৰণক কেন্দ্ৰ কৰি আগবঢ়াই নিয়া ৰাজনৈতিক দৃষ্টিভংগীৰ কথা দলটোৰ আগত অৱগত কৰে। তেওঁ ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰা বুথ পৰ্যায়লৈকে বিজেপিৰ সাংগঠনিক ভেটিৰ বিষয়ে ব্যাখ্যা কৰি তৃণমূল পৰ্যায়ৰ কৰ্মীৰ সৈতে প্ৰত্যক্ষ আৰু অবিৰত যোগাযোগ বজাই ৰখাত বিজেপি কাৰ্যকৰ্তাসকলৰ গুৰুত্বৰ বিষয়েও আলোকপাত কৰে।

বিজেপিৰ সভাপতিগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উন্নয়নমুখী প্ৰশাসনৰ আৰ্হিৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয় যে উন্নয়ন, সেৱা, সুশাসন আৰু কল্যাণমূলক পদক্ষেপে বিজেপিৰ প্ৰসাৰ আৰু প্ৰশাসনৰ কেন্দ্ৰবিন্দু।

০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তত থকা ভাৰতীয় প্ৰতিভাধৰসকলক দেশৰ বৈজ্ঞানিক আৰু উদ্ভাৱন ভৱিষ্যতৰ সৈতে সংযোগ কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা অভিলাসী পদক্ষেপ প্ৰধানমন্ত্ৰী গৱেষণা আসন (পিএমআৰচি) আঁচনি ২০২৬ ৰ বাবে উচ্চ শিক্ষা বিভাগে আবেদন বিচাৰি জাননী প্ৰকাশ কৰিছে।এই আঁচনিখনে উন্নত কম্পিউটাৰ, ছেমিকণ্ডাক্টৰ আৰু চাইবাৰ সুৰক্ষাকে ধৰি সৰ্বমুঠ ১৩ টা ক্ষেত্ৰত দ্ৰুতগতিত সম্প্ৰসাৰিত হোৱা গৱেষণা, উন্নয়ন, উদ্ভাৱন আৰু প্ৰযুক্তি পৰিৱেশ তন্ত্ৰৰ সৈতে ভাৰতীয় প্ৰতিভাৰ সংযোগ স্থাপন কৰিব।

এই আচনিত অংশগ্ৰহণকাৰী প্ৰতিষ্ঠান বা ব্যক্তিক বিশেষ সমিতিৰ তত্বাৱধানত কঠোৰ বাচনি প্ৰক্ৰিয়াৰ জৰিয়তে নিৰ্বাচন কৰা হ'ব। আগ্ৰহীসকলে পি. এম. আৰ. চি. প 'ৰ্টেলত ইয়াৰ সৈতে জড়িত সবিশেষ তথ্য লাভ কৰিব।

০০০০

ইজৰাইলে আজি লেবাননৰ দক্ষিণ অংশত চলোৱা ড্ৰোণ আক্ৰমণত কমেও ৮জন লোকে প্ৰাণ হেৰুৱায়। ইজৰাইলে কালি বেৰুটৰ দক্ষিণাঞ্চলীয় উপ-নগৰসমূহক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ ভাবুকি দিছিল। ইয়াৰ উলত লেবাননৰ ৰাজধানীত ত্ৰাসৰ সৃষ্টি হৈছে আৰু হাজাৰ হাজাৰ লোকে নিৰাপদ স্থানলৈ গৈছে। ইজৰাইলী সেনাই অলপতে লেবাননৰ ভিতৰভাগলৈ সোমাই গৈছিল আৰু বিগত ৬ সপ্তাহত বেৰুটৰ নিৰ্দিষ্ট স্থানক লক্ষ্য কৰি দুটা সফল আক্ৰমণ সম্পন্ন কৰিছে। লেবাননৰ বাতৰি যোগান প্ৰতিষ্ঠানে প্ৰকাশ কৰা মতে ইজৰাইলে এখন ড্ৰোণেৰে দক্ষিণ প্ৰান্তৰ মৰ্জয়ুন আৰু নবাটিয়েহ চহৰ সংযোগী পথত এখন বাহনক লক্ষ্য কৰি চলোৱা আক্ৰমণত তিনিজন লোকে প্ৰাণ হেৰুৱায়। বাতৰি যোগান প্ৰতিষ্ঠানৰ বাতৰি অনুসৰি জিবছিট গাঁৱত চলোৱা আনটো আক্ৰমণত ছিৰিয়াৰ দুজন নাগৰিকে প্ৰাণ হেৰুৱায়।

০০০০

ৰাষ্ট্ৰসংঘৰ শিশুৰ অধিকাৰ সম্পৰ্কীয় সমিতিয়ে আফগানিস্তানত বাল্য বিবাহক বৈধতা প্ৰদান আৰু ছোৱালী এজনীৰ নীৰৱতাক বিবাহৰ সন্মতি হিচাপে বিবেচনা কৰি এখন নতুন আইন জাৰি কৰা বিষয়ক তীব্ৰভাৱে গৰিহনা দিছে। বয়ঃসন্ধিকালত উপনীত হোৱাৰ পিছত ছোৱালীৰ বিবাহক বৈধতা প্ৰদান কৰা তালিবান কৰ্তৃপক্ষই জাৰি কৰা এই আইনখন বিশ্বব্যাপী সমালোচিত হৈছে। শিশুৰ অধিকাৰ সমিতিখনে ইয়াক আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আইনৰ গুৰুতৰ উলংঘন বুলি অভিহিত কৰিছে। সমিতিখনে প্ৰকাশ কৰিছে যে এই আইনখনে আফগানিস্তানত ছোৱালীৰ মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰাকে ধৰি তালিবান কৰ্তৃপক্ষৰ দ্বাৰা বৈষম্যমূলক পদক্ষেপক প্ৰতিফলিত কৰিছে। সমিতিখনে লগতে তালিবানক শিশুৰ অধিকাৰ উলংঘন কৰা সকলো ব্যৱস্থা তাৎক্ষণিকভাৱে বাতিল কৰাৰ লগতে বাল্য বিবাহ নিষিদ্ধ কৰিবলৈ আহ্বান জনায়।

০০০০

সমাপ্ত